**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 19-06-2025
**Time :** 1340 hrs

ASSAMESE MIDDAY BULLETIN

**HEADLINES**

**::::::::::::::::::**

১।	ভাৰত আৰু ক্ৰ'ৱেছিয়াই গোলকীয় শান্তি, গণতান্ত্ৰিক প্ৰমূল্য আৰু পাৰস্পৰিক সহযোগিতা শক্তিশালী কৰাৰ বাবে যুটীয়াভাৱে সন্মতি প্ৰকাশ কৰিছে।

২।	ভাৰত চৰকাৰে ইৰানত থকা ভাৰতীয় লোকসকলক নিৰাপদে ওভতাই অনাৰ বাবে সকলো প্ৰচেষ্টা গ্ৰহণ কৰিছে।

৩।	দেশৰ ৪ খন ৰাজ্যৰ ৫টা বিধানসভা সমষ্টিৰ বাবে আজি উপ-নিৰ্বাচন অনুষ্ঠিত হৈছে।

৪।	কিউ এছ্ ৱৰ্ল্ড ইউনিভাৰ্চিটী তালিকাত ভাৰতৰ ৫৪ খন শৈক্ষিক প্ৰতিষ্ঠানে স্থান লাভ কৰিছে।

**আৰু**

৫।	ভাৰত-ইংলেণ্ডৰ মাজৰ পাঁচখনীয়া ক্ৰিকেট টেষ্ট শৃংখলা কাইলৈ আৰম্ভ হ'ব।

০০০০০০

ভাৰত আৰু ক্ৰ'ৱেছিয়াই গোলকীয় শান্তি, গণতান্ত্ৰিক প্ৰমূল্য আৰু পাৰস্পৰিক সহযোগিতা শক্তিশালী কৰাৰ বাবে যুটীয়াভাৱে সন্মতি প্ৰকাশ কৰিছে। দুয়ো দেশে কৃষি, সাংস্কৃতিক বিনিময়, বিজ্ঞান আৰু প্ৰযুক্তি তথা ক্ৰ'ৱেছিয়াৰ ৰাজধানী জাগ্ৰেবত ভাৰতীয় সাংস্কৃতিক সম্পৰ্ক পৰিষদ, আই চি চি আৰৰ এখন আসন প্ৰতিষ্ঠাৰ বাবে চাৰিখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিছে। দুয়ো দেশে সামৰিক বিনিময়, যুটীয়া প্ৰশিক্ষণ আৰু ঔদ্যোগিক অংশীদাৰিত্ব বৃদ্ধিৰ বাবে দীৰ্ঘম্যাদী প্ৰতিৰক্ষা সহযোগিতা পৰিকল্পনা যুগুত কৰাৰ বাবেও সিদ্ধান্ত লৈছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ক্ৰ'ৱেছিয়া, কানাডা তথা চাইপ্ৰাছ ভ্ৰমণ সামৰি নতুন দিল্লীলৈ উভতি আহিছে। এই ভ্ৰমণ কালত প্ৰধানমন্ত্ৰীয়ে ক্ৰ'ৱেছিয়াৰ প্ৰধানমন্ত্ৰী আন্দ্ৰে প্লেংকোভিকৰ সৈতে দুয়ো দেশৰ সম্পৰ্ক শক্তিশালী কৰাৰ বাবে আলোচনাত মিলিত হয়। দুয়োগৰাকী নেতাই দ্বিপাক্ষিক বাণিজ্য শক্তিশালী কৰাৰ লগতে স্থিতিস্থাপক আৰু নিৰ্ভৰযোগ্য যোগান শৃংখলা গঢ়ি তোলাৰ বাবে সন্মতি প্ৰকাশ কৰে। তদুপৰি ফাৰ্মাচিউটিকেলছ্, কৃষি, তথ্য প্ৰযুক্তি, স্বচ্ছ আৰু ডিজিটেল প্ৰযুক্তি, নৱীকৰণযোগ্য শক্তি আৰু ছেমিকণ্ডাক্টৰকে ধৰি দ্বিপাক্ষিক সহযোগিতাৰ কেতবোৰ নতুন ক্ষেত্ৰক চিনাক্ত কৰা হয়। প্ৰধানমন্ত্ৰী মোদীয়ে জাহাজ নিৰ্মাণ, চাইবাৰ সুৰক্ষা আৰু প্ৰতিৰক্ষা ক্ষেত্ৰত সহযোগিতাত বিষয় উত্থাপন কৰে। এই বৈঠকত প্ৰধানমন্ত্ৰীয়ে বিভিন্ন ৰাষ্ট্ৰৰ মাজত হোৱা সংঘাতৰ শান্তিপূৰ্ণ সমাধানৰ ওপৰত গুৰুত্ব আৰোপ কৰি যুদ্ধক্ষেত্ৰত কোনো সমস্যাৰ সমাধান নহয় বুলি উল্লেখ কৰে। তেওঁ কয়, যে আলোচনা আৰু কূটনৈতিক বুজাপৰাই সমাধানৰ একমাত্ৰ পথ। সন্ত্ৰাসবাদক মানৱতাৰ শত্ৰু বুলি অভিহিত কৰি শ্ৰীমোদীয়ে জম্মু-কাশ্মীৰৰ পেহেলগামৰ সন্ত্ৰাসবাদী আক্ৰমণৰ সময়ত দেশখনৰ নেতৃত্বই ভাৰতৰ প্ৰতি আগবঢ়োৱা সমৰ্থনত সন্তোষ প্ৰকাশ কৰে। উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰী মোদীৰ এয়া আছিল প্ৰথম চৰকাৰী ক্ৰ'ৱেছিয়া ভ্ৰমণ।

০০০০০০

ভাৰত চৰকাৰে ইৰানত থকা ভাৰতীয় লোকসকলক নিৰাপদে ওভতাই অনাৰ বাবে সকলো প্ৰচেষ্টা গ্ৰহণ কৰিছে। দেশখনত থকা ভাৰতীয়ক লৈ আন এখন বিমান আজি উভতি অহাৰ সম্ভাৱনা আছে। ইয়াৰ আগেয়ে উত্তৰ ইৰানৰ পৰা ১১০গৰাকী ভাৰতীয় শিক্ষাৰ্থীক লৈ অহা এখন বিমান আজি নিচেই পুৱাতে নতুন দিল্লীত অৱতৰণ কৰে। সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্য মন্ত্ৰী কীৰ্তি বৰ্ধন সিঙে কয়, যে কেন্দ্ৰীয় চৰকাৰে ইৰানত থকা ৩৫০ গৰাকী ভাৰতীয় নাগৰিকক ওভতাই অনাৰ বাবে অনুৰোধ লাভ কৰিছে। তুৰ্কমেনিস্তানত আবদ্ধ হৈ থকা ভাৰতীয় সকলক নিৰাপদে ওভতাই অনাৰ বাবে আন এখন বিমান আজি ৰাওনা হ'ব বুলি তেওঁ উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে কয়, যে কেন্দ্ৰীয় চৰকাৰে বিমানৰ বাবে নিৰাপদ আৰু মুকলি উৰণ পথ ব্যৱহাৰ কৰিছে আৰু এই সুৰক্ষিত পথেৰে যাত্ৰীসকলক ওভতাই অনা হ'ব। ভাৰতে ইৰান আৰু ইজৰাইলৰ মাজত সৃষ্টি হোৱা সংঘাতৰ পৰিস্থিতিৰ অৱনতি হোৱাৰ প্ৰতি লক্ষ্য ৰাখি ইৰানত থকা ভাৰতীয় নাগৰিকসকলক উদ্ধাৰৰ বাবে অপাৰেচন সিন্ধু আৰম্ভ কৰিছিল।

ইৰানত থকা ভাৰতীয় লোকসকলক তাৎক্ষণিক হেল্পলাইনৰ জৰিয়তে তেহৰানৰ ভাৰতীয় দূতাবাসৰ সৈতে সঘন যোগাযোগত থাকিবলৈ আৰু নতুন দিল্লীৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে স্থাপন কৰা নিয়ন্ত্ৰণ কক্ষৰ সৈতে যোগাযোগ কৰিবলৈ পৰামৰ্শ দিয়া হৈছে।

০০০০০০

ৰাষ্ট্ৰসংঘৰ সচিব প্ৰধান এণ্ট'নিয় গুটেৰেছে ইজৰাইল আৰু ইৰানৰ মাজৰ সংঘাত শীঘ্ৰেই অৱসান ঘটোৱাৰ লগতে শান্তি স্থাপনৰ পোষকতা কৰিছে। দুয়োখন ৰাষ্ট্ৰৰ মাজত চলি থকা সাম্প্ৰতিক সংঘাতত উদ্বেগ প্ৰকাশ কৰি সচিব প্ৰধানগৰাকীয়ে এই সংঘাতক আৰু অধিক আন্তঃৰাষ্ট্ৰীয়কৰণ নকৰিবলৈ আহ্বান জনায়। তেওঁ কয়, যে সামৰিক বাহিনীৰ অতিৰিক্ত কাৰ্যকলাপে সমগ্ৰ অঞ্চলটোৰ বাবে ভয়াৱহ ফলাফলৰ সূচনা কৰিব আৰু ইয়াৰ ফলত শান্তি আৰু নিৰাপত্তাৰ প্ৰতি বিস্তৰ ভাবুকিৰ সৃষ্টি হ'ব। তেওঁ এই সংঘাতৰ ফলত সাধাৰণ লোকৰ মৃত্যু হোৱা ঘটনাক গৰিহণা দিয়াৰ লগতে কূটনৈতিক পদ্ধতি আৰু বুজাপৰাৰ পথ ল'বলৈ আহ্বান জনায়।

০০০০০০

দেশৰ ৪ খন ৰাজ্যৰ ৫টা বিধানসভা সমষ্টিৰ বাবে আজি উপ-নিৰ্বাচন অনুষ্ঠিত হৈছে। গুজৰাটৰ বিশ্বভাডৰ আসনৰ বাবে দিনৰ ১১ বজালৈ ২৮ শতাংশ ভোটগ্ৰহণ সম্পন্ন হোৱাৰ লগতে কাদী বিধানসভা সমষ্টিত ২৪ শতাংশ ভোটগ্ৰহণ সম্পন্ন হৈছে। কেৰালাৰ নিলাম্বৰ বিধানসভা আসনৰ বাবে ইতিমধ্যে ৩০ শতাংশ ভোটগ্ৰহণ সম্পন্ন হৈছে। ইয়াৰ লগতে পঞ্জাৱৰ লুধিয়ানা বিধানসভা আসনখনৰ বাবে ২১ শতাংশ ভোটগ্ৰহণ সম্পন্ন হৈছে। দিনৰ ১১ বজালৈ পশ্চিমবংগৰ কালিগঞ্জ বিধানসভা আসনখনৰ বাবে ৩১ শতাংশ ভোটগ্ৰহণ সম্পন্ন হৈছে। অহা সোমবাৰে পাঁচোটা বিধানসভা আসনৰ ভোটগণনা কৰা হ'ব।

০০০০০০

কিউ এছ্ ৱৰ্ল্ড ইউনিভাৰচিটী তালিকাত ভাৰতৰ ৫৪ খন শৈক্ষিক প্ৰতিষ্ঠানে স্থান লাভ কৰিছে। ইয়াৰে ভিতৰত ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান দিল্লীয়ে শীৰ্ষস্থান অধিকাৰ কৰিছে। ইয়াৰ পূৰ্বে বিশ্ব ৰেংকিঙত আই আই টি দিল্লীয়ে ১৫০ নম্বৰ স্থান দখল কৰিছিল। শেহতীয়াকৈ বিশ্বৰ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানসমূহৰ তালিকাত আই আই টি দিল্লীয়ে ১২৩ নম্বৰ স্থান লাভ কৰিছে।

সামাজিক মাধ্যমৰ এটা বাৰ্তাত কেন্দ্ৰীয় শিক্ষা মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে কয়, যে ২০১৪ চনত এই তালিকাত ভাৰতৰ মাত্ৰ ১১ খন বিশ্ববিদ্যালয়ে স্থান লাভ কৰিছিল। বৰ্তমান প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ

গতিশীল নেতৃত্বত আৰু শৈক্ষিক প্ৰতিষ্ঠানসমূহৰ সংস্কাৰ সাধনৰ ফলত ৫৪ খন শৈক্ষিক প্ৰতিষ্ঠানে তালিকাত স্থান কৰিবলৈ সমৰ্থ হৈছে। তেওঁ লগতে কয়, যে ৰাষ্ট্ৰীয় শৈক্ষিক নীতি ২০২০ কেৱল মাত্ৰ ভাৰতৰ শৈক্ষিক মানচিত্ৰ সলনি কৰাই নহয় বৰং বৈপ্লৱিক পৰিৱৰ্তন সাধন কৰিছে। ভাৰত জি-২০ৰ অন্তৰ্গত দেশসমূহৰ ভিতৰত শৈক্ষিক ক্ষেত্ৰত দ্ৰুত বিকশিত দেশ হিচাপে পৰিগণিত হৈছে আৰু আমেৰিকা যুক্তৰাষ্ট্ৰ, ব্ৰিটেইন আৰু চীনৰ পাছতে চতুৰ্থ স্থান লাভ কৰিছে।

oooooo

অসম চৰকাৰৰ স্বচ্ছ আৰু মেধা ভিত্তিক নিযুক্তি প্ৰক্ৰিয়াৰ অংশ হিচাপে আজি কেইবাটাও বিভাগত ৪৮১ গৰাকী ব্যক্তিক নিযুক্তি পত্ৰ প্ৰদান কৰা হয়। পশুপালন আৰু পশু চিকিৎসা বিভাগত ৪৪৩ গৰাকী পশু চিকিৎসা ক্ষেত্ৰ সহায়ক, পৰ্যটন বিভাগত ১২ গৰাকী পৰ্যটন উন্নয়ন বিষয়া আৰু শিক্ষা বিভাগত ২৩ গৰাকী জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ প্ৰবক্তা তথা ৩ গৰাকী ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদৰ সহকাৰী সঞ্চালকক নিযুক্তি পত্ৰ প্ৰদান কৰা হয়। এই উপলক্ষে আজি গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকে।

উল্লেখযোগ্য যে অসম চৰকাৰে কালি পৰ্যন্ত বিভিন্ন বিভাগত এক লাখ ২০ হাজাৰ ৩৫৯ গৰাকী ব্যক্তিক নিযুক্তি পত্ৰ প্ৰদান কৰিছে।

oooooo

কেন্দ্ৰীয় চৰকাৰে দেশৰ জনজাতীয় লোকসকলৰ জীৱনত যুগান্তকাৰী আৰু ইতিবাচক পৰিৱৰ্তন সাধনৰ বাবে নিৰলস প্ৰচেষ্টা অব্যাহত ৰাখিছে। আকাশবাণীৰ বাতৰি বিভাগৰ সৈতে হোৱা আছুতীয়া সাক্ষাৎকাৰত জনজাতি পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী জুৱেল ওৰামে এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে মন্ত্ৰালয়ে বিগত ১১ বছৰত জনজাতীয় লোকসকলৰ কল্যাণৰ বাবে বিভিন্ন আঁচনি আৰু কাৰ্যসূচী ৰূপায়ণ কৰিছে। এনেধৰণৰ এটা উন্নয়নমূলক কাৰ্যসূচী একলব্য আদৰ্শ আৱাসিক বিদ্যালয়ৰ বিষয়ে উল্লেখ কৰি তেওঁ কয়, যে এই পদক্ষেপে ছাত্ৰ-ছাত্ৰীসকলক বিশেষভাৱে উপকৃত কৰিছে। এই সাক্ষাৎকাৰ আকাশবাণীৰ সকলো চেনেলৰ লগতে ১০০ দশমিক ১ মেগাহাৰ্টজত এফ এম গোল্ড চেনেলযোগে আৰু নিশা চাৰে ৯ বজাত প্ৰচাৰ কৰা হ'ব। বিকশিত ভাৰতৰ অমৃতকাল, সেৱা, সুশাসন আৰু দৰিদ্ৰ কল্যাণৰ ১১ বছৰ শীৰ্ষক বিশেষ শৃংখলাৰ অংশ হিচাপে এই সাক্ষাৎকাৰ প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানটি আকাশবাণীৰ ইউটিউব চেনেল নিউজ অন এয়াৰ অফিচিয়েল যোগেও একেসময়তে প্ৰচাৰ কৰা হ'ব।

oooooo

মহাৰাষ্ট্ৰৰ পুনেৰ জেজুৰি-মৰগাঁও পথত সংঘটিত দুৰ্ঘটনাত ৮ জন লোক নিহত হোৱা ঘটনাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গভীৰ শোক প্ৰকাশ কৰিছে। তেওঁ প্ৰধানমন্ত্ৰীৰ ৰাষ্ট্ৰীয় সাহায্য পুঁজিৰ পৰা নিহতসকলৰ নিকটাত্মীয়লৈ ২ লাখ টকাকৈ এককালীন সাহায্য ঘোষণা কৰিছে। একেদৰে দুৰ্ঘটনাত আহত সকলৰ বাবে ৫০ হাজাৰ টকাকৈ এককালীন সাহায্য ঘোষণা কৰা হৈছে। শ্ৰীমোদীয়ে আহত সকলৰ আশু আৰোগ্য কামনা কৰিছে। উল্লেখযোগ্য যে পুনেত কালি সন্ধিয়া সংঘটিত এই পথ দুৰ্ঘটনাত ৮ জন লোক থিতাতে নিহত হোৱাৰ লগতে ৫ জন গুৰুতৰভাৱে আহত হৈছিল। এখন তীব্ৰবেগী যাত্ৰীবাহী বাহনে আন এখন সামগ্ৰী কঢ়িয়াই নিয়া বাহনত খুন্দা মৰাৰ ফলত দুৰ্ঘটনাটো সংঘটিত হয়।

oooooo

তামিলনাডুৰ ত্ৰিপ্পুৰত আজি ২৬ জন অবৈধ বাংলাদেশীক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। প্ৰাপ্ত তথ্য মতে এই বাংলাদেশী নাগৰিককেইজনে প্ৰয়োজনীয় নথি পত্ৰ অবিহনে অঞ্চলটোত বাস কৰি আহিছিল। পালাডম অঞ্চলত ৰাজ্যখনৰ আৰক্ষী বাহিনীয়ে চলোৱা অভিযানত এই কথা পোহৰলৈ আহে। অবৈধ বাংলাদেশী নাগৰিককেইজন ভুৱা আধাৰ কাৰ্ডৰ পৰিচয়েৰে শ্ৰমিক হিচাপে কাম কৰি আছিল। এই সন্দৰ্ভত আৰক্ষীয়ে তদন্ত চলাই আছে।

oooooo

ভাৰত-ইংলেণ্ডৰ মাজত পাঁচখনীয়া ক্ৰিকেট টেষ্ট শৃংখলা কাইলৈ আৰম্ভ হ'ব। ইতিমধ্যে দুয়োটা দলে এই শৃংখলাৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। ইংলেণ্ডৰ বিৰুদ্ধে হবলগীয়া টেষ্ট শৃংখলাৰ পূৰ্বে বিৰাট কোহলিৰ আমন্ত্ৰণমৰ্মে অধিনায়ক শুভমন গীল, সহঃ অধিনায়ক ঋষভ পণ্ট, মহম্মদ চিৰাজকে ধৰি কেইবাগৰাকী ক্ৰিকেটাৰে লণ্ডনত উপস্থিত হয়। কোহলিয়ে 'তেণ্ডুলকাৰ-এণ্ডাৰছন' ট্ৰফীৰ বাবে খেলিব লগা টেষ্ট শৃংখলাৰ নৱনিযুক্ত অধিনায়ক গীলক শুভেচ্ছা জ্ঞাপন কৰে। ভাৰত আৰু ইংলেণ্ডৰ মাজত হবলগীয়া টেষ্ট শৃংখলাৰ প্ৰথমখন মেচ কাইলৈ ইংলেণ্ডৰ লীডচত অনুষ্ঠিত হ'ব।

oooooo

**সমাপ্ত**